Printed Pages—3

**3 (Sem–6) ASM M 6**

**2015**

ASSAMESE

( Major )

Paper : 6.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×৭=৭

(ক) ভাষাৰ ন্যূনতম এককটো কি ?

(খ) "ব্যক্তৱাচাং সমুচ্চাৰণে।" ভাষাৰ সংজ্ঞা সম্পৰ্কীয় এই উক্তিটো কাৰ ?

(গ) "কিছুমান ভাষাত প্ৰাণী-অপ্ৰাণীৰ ভেদ নাৰাখিও লিঙ্গভেদ দেখুওৱা হয়।" এই লিঙ্গক কি বুলি কোৱা হয় ?

(ঘ) অসমীয়া ভাষাৰ স (X) ধ্বনিটোক উচ্চাৰণৰ স্থান অনুসৰি কি ধ্বনি বুলি কোৱা হয় ?

(ঙ) IPA-ৰ সম্পূৰ্ণ নাম কি ?

(চ) *Course in General Linguistics (1915)* গ্ৰন্থখনৰ প্ৰণেতা কোন?

(ছ) "এসময়ত 'মৃগ' শব্দই সকলো পশুক বুজাইছিল যদিও পিছলৈ হৰিণক বুজাবলৈ লৈছে।" শব্দাৰ্থ পৰিবৰ্তনৰ ত্ৰিধাৰাত শব্দটোৰ অৰ্থ পৰিবৰ্তনক কি বুলি কোৱা হয়?

২। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ২×৪=৮

(ক) বাক্‌ধ্বনি বুলিলে কি বুজা?

(খ) মুক্তৰূপ আৰু যুক্তৰূপ কাক বোলে?

(গ) শব্দৰ অৰ্থান্তৰ বুলিলে কি বুজা?

(ঘ) লোক ব্যুৎপত্তি কাক বোলে?

(ঙ) বাক্যত 'যতি' বা 'বিৰাম'ৰ প্ৰয়োজনীয়তা সম্পৰ্কে চমুকৈ লিখা।

(চ) ভাৰতবৰ্ষত কি কি ভাষা-পৰিয়ালৰ ভাষা পোৱা যায়?

৩। তলৰ যি কোনো **তিনিটাৰ** বিষয়ে চমু টোকা লিখা : ৫×৩=১৫

(ক) ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব

(খ) ধ্বনি আৰু উপধ্বনি

(গ) অৰ্থবিস্তাৰ

(ঘ) অসমীয়া ভাষাত মধ্যসৰ্গ

(ঙ) সমাজ ভাষাবিজ্ঞান

৪। (ক) ধ্বনিবিজ্ঞান বুলিলে কি বুজা? ইয়াৰ আলোচ্য বিষয় কি? ধ্বনিবিজ্ঞানৰ প্ৰতিটি শাখাৰ চমু পৰিচয় দাঙি ধৰা। ২+২+৬=১০

*অথবা*

(খ) প্ৰাকৃতি বিজ্ঞান বুলিলে কি বুজা? প্ৰাকৃতি বিজ্ঞানৰ আলোচ্য বিষয়সমূহ যথাযথ উদাহৰণসহ বুজাই লিখা। ৩+৭=১০

৫। (ক) ভাষাবিজ্ঞান বুলিলে কি বুজা? ভাষাবিজ্ঞানক প্ৰকৃততে বিজ্ঞান বুলিব পাৰিনে? ভাষাবিজ্ঞানৰ লগত কি কি প্ৰকৃতি বিজ্ঞানৰ (natural science) কেনেধৰণৰ সম্পৰ্ক আছে, বিচাৰ কৰা। ৩+৭=১০

*অথবা*

(খ) উপভাষাবিজ্ঞান কি? উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটা নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰা। ৩+৭=১০

৬। (ক) শব্দাৰ্থ তত্ত্ব (semantics) বুলিলে কি বুজা? শব্দৰ অৰ্থ পৰিবৰ্তনৰ ত্ৰিধাৰা সম্পৰ্কে উপযুক্ত উদাহৰণসহ আলোচনা কৰা। ৪+৬=১০

*অথবা*

(খ) বাক্যতত্ত্ব (syntax) বুলিলে কি বুজা? বাক্যতত্ত্বত যোগ্যতা, আকাংক্ষা আৰু আসক্তি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ৪+৬=১০

☆☆☆